জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**প্ৰেছ বাৰ্তা নং ঃ ৯৭/২০২২**

# প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ প্ৰস্তাৱিত ভ্ৰমণৰ পৰিপ্ৰেক্ষিতত ডিব্ৰুগড়ত অনুষ্ঠিত হ'বলগীয়া সভাস্থলী পৰিদৰ্শন মুখ্যমন্ত্ৰীৰ

**দিছপুৰ, ৩ এপ্ৰিল ঃ** অহা ২৮ এপ্ৰিলত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ প্ৰস্তাৱিত ডিব্ৰুগড় ভ্ৰমণৰ পৰিপ্ৰেক্ষিতত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি প্ৰধানমন্ত্ৰীৰ কাৰ্যসূচীৰ বাবে নিৰ্দ্ধাৰিত স্থান খনিকৰ আৰক্ষী চাউনী এলেকা পৰিদৰ্শন কৰে। মুখ্যমন্ত্ৰীয়ে সমগ্ৰ এলেকাটোৰ সকলো দিশ পৰ্যবেক্ষণ কৰে আৰু সংশ্লিষ্ট বিষয়াসকলক প্ৰধানমন্ত্ৰীৰ ৰাজহুৱা অনুষ্ঠানৰ কাৰ্যসূচী যাতে সফলভাৱে অনুষ্ঠিত হয় সেই দিশত থকা সকলোধৰণৰ জটিলতা আঁতৰ কৰিবলৈ নিৰ্দেশ দিয়ে।

এই পৰিদৰ্শনৰ সময়ত পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ দপ্তৰৰ কেন্দ্ৰীয় ৰাজ্যিক মন্ত্ৰী ৰামেশ্বৰ তেলী, কৃষি মন্ত্ৰী অতুল বৰা, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী কেশৱ মহন্ত আৰু ৰাজ্য চৰকাৰৰ জ্যেষ্ঠ বিষয়াসকল উপস্থিত থাকে।

মুখ্যমন্ত্ৰীয়ে আজি তেওঁৰ এদিনীয়া ডিব্ৰুগড় ভ্ৰমণসূচীৰ অংশ হিচাপে কেন্সাৰ কেয়াৰ ফাউণ্ডেশ্যনৰ অধীনত ডিব্ৰুগড়ত নিৰ্মাণ কৰা কৰ্কট হাস্পতালখনো পৰিদৰ্শন কৰে। তেওঁ অহা ২৮ এপ্ৰিলত প্ৰধানমন্ত্ৰীয়ে জনসাধাৰণৰ সেৱাৰ বাবে উৎসৰ্গ কৰিবলগীয়া এই চিকিৎসালয়খনত থকা সকলোধৰণৰ সুবিধাৰ বুজ লয়। মুখ্যমন্ত্ৰীয়ে চিকিৎসক, নিৰ্মাণ সংস্থাৰ অভিযন্তাৰ সৈতে আলোচনা কৰে আৰু চিকিৎসালয়খনৰ অন্তিম পৰ্যায়ৰ কাম-কাজৰ পৰ্যালোচনা কৰে।

ইয়াৰ পিছতে মুখ্যমন্ত্ৰীয়ে ডিব্ৰুগড় জিলাৰ উপায়ুক্ত আৰু ৰাজ্য চৰকাৰৰ অন্যান্য শীৰ্ষ বিষয়াসকলৰ সৈতে এক বৈঠকত মিলিত হয়। প্ৰধানমন্ত্ৰীৰ কাৰ্যসূচী যাতে সফলভাৱে অনুষ্ঠিত হয় তাৰ বাবে প্ৰয়োজনীয় সকলোধৰণৰ পদক্ষেপ গ্ৰহণ কৰিবলৈ মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিয়ে।

উল্লেখযোগ্য যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে তেওঁৰ অসম ভ্ৰমণকালত ৰাজ্যখনত নিৰ্মাণ হৈ থকা ১০ খন কৰ্কট চিকিৎসালয়ৰ ভিতৰত ৭ খন চিকিৎসালয় জনসাধাৰণৰ সেৱাত উৎসৰ্গা কৰিব। তেওঁ লগতে ডিব্ৰুগড়ৰ পৰা আন ৭ খন কৰ্কট চিকিৎসালয়ৰ আধাৰশিলা স্থাপন কৰিব।

বৈঠকত পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ দপ্তৰৰ কেন্দ্ৰীয় ৰাজ্যিক মন্ত্ৰী ৰামেশ্বৰ তেলী, কৃষি মন্ত্ৰী অতুল বৰা, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী কেশৱ মহন্ত, বিত্তমন্ত্ৰী অজন্তা নেওগ, চাহ জনজাতি কল্যাণ মন্ত্ৰী সঞ্জয় কিষাণ, কেইবাগৰাকীও বিধায়ক আৰু ৰাজ্য চৰকাৰৰ জ্যেষ্ঠ বিষয়াসকল উপস্থিত থাকে।

**সুঃদঃ / পুঃডেঃ**
**৩-০৪-২০২২**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in